# ভাৰতৰ জলবায়ু

## TEXTUAL QUESTIONS AND ANSWERS

---

**প্ৰশ্ন ১। ভাৰতৰ প্ৰায় সোঁমাজেদি পাৰ হৈ যাোৱা কাল্পনিক অক্ষৰেখাডাল – কি ?**

**উত্তৰঃ** কৰ্কটক্ৰান্তি ৰেখা ।

**প্ৰশ্ন ২। ব'হাগ মাহত অহা ধুমুহাৰ দুটা নাম লিখা ।**

**উত্তৰঃ** ' কালবৈশাখী ' আৰু ' বৰদৈচিলা '।

**প্ৰশ্ন ৩। ভাৰতৰ প্ৰধান ঋতুকেইটা কি কি ?**

**উত্তৰঃ** বসন্ত , গ্ৰীষ্ম , বৰ্ষা , শৰৎ , হেমন্ত আৰু শীত ।

**প্ৰশ্ন ৪। বিজ্ঞানীসকলে ভাৰতৰ জলবায়ুক কেইটা ভাগত ভাগ কৰিছে ?**

**উত্তৰঃ** সাত ভাগত ভাগ কৰিছে ।

**প্ৰশ্ন ৫। বিভিন্ন জলবায়ু অঞ্চলৰ বৈশিষ্ট্যসমূহ লিখা ।**

**উত্তৰঃ** ভাৰতৰ জলবায়ু অঞ্চলৰ বৈশিষ্ট্যসমূহ হৈছে –

( ১ ) **ক্ৰান্তীয় আৰ্দ্ৰ জলবায়ু বা মৌচুমী বৰষুণৰ অঞ্চল :-** উত্তাপ অধিক। গড় উষ্ণতা গ্ৰীষ্ম কালত ৩২° আৰু শীতকালত ১৪° চেলচিয়াছ।বৰষুণ গড়ে বছৰি ২০০ চেণ্টিমিটাৰৰ অধিক । কোংকন মালাবাৰ উপকূল , পশ্চিমঘাট পৰ্বত , অসম , মেঘালয় , ত্ৰিপুৰা , মিজোৰাম , মণিপুৰ , নাগালেণ্ড আদি অঞ্চল এই জলবায়ুৰ প্ৰভাৱত পৰে।

( ২ ) **ক্ৰান্তীয় ছাভাণ জলবায়ু অঞ্চল :-** গ্ৰীষ্ম কালত গড় উষ্ণতা ৩২° আৰু শীতকালত ১৮° চেলচিয়াছ । বৰষুণ ৭৫-১২৫.চেণ্টিমিটাৰ । মহাৰাষ্ট্ৰ , মধ্যপ্ৰদেশ , ওড়িশাৰ পশ্চিমভাগ , কৰ্ণাটক আদি এই অঞ্চলৰ অন্তৰ্গত ।

( ৩ ) **ক্ৰান্তীয় অৰ্ধমেৰু ষ্টেপ অঞ্চল :-** গড় উষ্ণতা গ্ৰীষ্ম কালত ৩০° – ৩৪° আৰু শীতকালত ১৮° – ২০° চেলচিয়াছ । বৰষুণ ৩৫-৭৫ চেণ্টিমিটাৰ। পশ্চিমঘাট আৰু কাৰ্ডামম পাহাৰৰ ঢাপত তামিলনাডুৰ পৰা মহাৰাষ্ট্ৰলৈ বিস্তৃত এই অঞ্চল ।

( ৪ ) **ক্ৰান্তীয় আৰু উপ – ক্ৰান্তীয় ষ্টেপ অঞ্চল :-** গড় উষ্ণতা গ্ৰীষ্ম কালত ৩৫° আৰু শীতকালত ১২° চেলচিয়াছ । গড় বৰষুণ ৩০-৬৫ চেণ্টিমিটাৰ। ৰাজস্থানৰ – থৰ মৰুভূমিৰ পূবফালে কচ্চৰপৰা পঞ্জাৱলৈ এই অঞ্চল বিস্তৃত ।

( ৫ ) **ক্ৰান্তীয় মৰুভূমি অঞ্চল :-** গ্ৰীষ্ম কালত গড় উষ্ণতা ৩৬° চেলচিয়াছ । শীতকালি অতি শীতল , কেতিয়াবা ১° চেলচিয়াছ পৰ্যন্ত হয় । দিনৰ ভাগত অত্যন্ত গৰম , ধূলিৰ ধুমুহা বলে । এই অঞ্চলত বৰষুণ প্ৰায় নাহোৱাৰ দৰেই । ৰাজস্থানৰ বিকানীৰ , জয়ছালমেৰ , বৰমেৰ আদি থৰ মৰুভূমিৰ অন্তৰ্গত অঞ্চলসমূহ এই জলবায়ু অঞ্চলৰ ভিতৰুৱা ।

( ৬ ) **শুকান সেমেকা উপক্ৰান্তীয় জলবায়ু অঞ্চল :-** সিন্ধু , গংগা , ব্ৰহ্মপুত্ৰ , বৰাক উপত্যকা অৰ্থাৎ পঞ্জাৱৰ পৰা অসমলৈকে এই অঞ্চল বিস্তৃত। গ্ৰীষ্মকাল গৰম । গ্ৰীষ্ম কালত অত্যধিক বৰষুণ হয় । বৰষুণ গড়ে ৭৫-২৫০ চেণ্টিমিটাৰ । শীত কালত পশ্চিম ভাৰতত অলপ বৰষুণ হয় ।

( ৭ ) **পাৰ্বত্য জলবায়ু অঞ্চল :-** কাশ্মীৰ , হিমাচল প্ৰদেশ , ছিকিম , অৰুণাচল প্ৰদেশৰ পাহাৰীয়া অঞ্চল , উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চল এই জলবায়ুৰ অন্তৰ্গত । বৰষুণ সকলো ঠাইতে সমান নহয় । চাৰি হাজাৰ মিটাৰতকৈ ওখ ঠাইবোৰত উষ্ণতা বৰ কম । কিছুমান অঞ্চলত বছৰৰ প্ৰায় ছমাহ বৰফ পৰে । এনেবোৰ অঞ্চলত গ্ৰীষ্ম কাল চুটি আৰু শীত কাল দীঘল ।

**প্ৰশ্ন ৬। ভাৰতৰ প্ৰধান প্ৰাকৃতিক উদ্ভিদৰ অঞ্চলসমূহ কি কি ?**

**উত্তৰঃ** ভাৰতৰ প্ৰধান প্ৰাকৃতিক উদ্ভিদৰ অঞ্চলসমূহ হৈছে—

( ১ ) চিৰসেউজীয়া বৃষ্টি ঘন বননি ।

( ২ ) পৰ্ণপাতী বননি ।

( ৩ ) ক্ৰান্তীয় ছাভানা ।

( ৪ ) শুকান বননি ।

( ৫ ) জলাহ বননি । আৰু

( ৬ ) পৰ্বতীয়া অৰণ্য ।

**প্ৰশ্ন ৭। ‘ তৰাই ’ নামৰ বননিক’ত অৱস্থিত ?**

**উত্তৰঃ** পূব হিমালয়ৰ পাদদেশত অৱস্থিত ।

**প্ৰশ্ন ৮। পাঁচবিধ পৰ্ণপাতী গছৰ নাম লিখা ।**

**উত্তৰঃ** শাল , শিমলু , অৰ্জুন , চেগুন আৰু – গমাৰি ।

**প্ৰশ্ন ৯। ক্ৰান্তীয় ছাভানা বননিত গজা চাৰিবিধ উদ্ভিদৰ নাম লিখা ।**

**উত্তৰঃ** বাবুল , বগৰী , খেজুৰ আৰু নিম ।

**প্ৰশ্ন ১০। পশ্চিমীয়া দেশত বছৰটোক কেইটা ঋতুত ভাগ কৰা হৈছে তাৰ নামবাোৰ লিখা ।**

**উত্তৰঃ** চাৰিটা ঋতুত ভাগ কৰা হৈছে । সেইকেইটা হৈছে — গ্ৰীষ্ম , শৰৎ, শীত আৰু বসন্ত ।